بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# মধ্যপ্ৰাচ্যৰ শেহতীয়া যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুছলমান উম্মতক গুৰুত্বপূৰ্ণ উপদেশ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ০৬ মাৰ্চ ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)য়ে যি বাৰ্তা লৈ আহিছিল, তাৰ উদ্দেশ্য আছিল এক খোদাৰ ওপৰত বিশ্বাস স্থাপন কৰা। এক খোদাৰ উপাসনা কৰা, সেইজনাৰ একত্ববাদ প্ৰতিষ্ঠা কৰা, ইয়াৰ বাবে চেষ্টা কৰা আৰু সেইজনাৰ ভৃত্যসকলৰ অধিকাৰ আদায় কৰাৰ প্ৰয়াস কৰা। ইয়াৰ পিছত এক উম্মত হৈ পাৰস্পাৰিক ভ্ৰাতৃত্ববন্ধনৰ সৈতে বসবাস কৰা। আজি আমি একত্ববাদৰ কলিমাৰ দাবী কৰা সত্ত্বেও মিলা-প্ৰীতি নাইকিয়া হৈ পৰিছে। আমাৰ কৰ্ম তেনেকুৱা নহয়, যি শিক্ষাৰ আমি দাবী কৰো। ফলস্বৰূপে দেখা পোৱা যায় যে যেতিয়া আমি ইছলামী জগতৰ অৱস্থা পৰ্যবেক্ষণ কৰো, তেতিয়া আমি অতি চিন্তনীয় পৰিস্থিতি দেখিবলৈ পাওঁ। কিছুমান দেশত প্ৰাকৃতিক সম্পদ আৰু ধন-সম্পত্তি আছে, কিন্তু ইয়াৰ পিছতো পৃথিৱীৰ শক্তিৰ সন্মুখত তেওঁলোকৰ বিশেষ স্থান নাই, ধৰ্মৰ বিকাশৰ বাবে তেওঁলোকৰ কোনো বিশেষ ভূমিকা নাই। ইছলামী শিক্ষাৰ ওপৰত পৰিচালিত হোৱাৰ বাবেও বিশেষ কোনো প্ৰচেষ্টা নাই। ইয়াৰ ফলাফল একেবাৰে স্পষ্ট যে আনসকলে ইয়াৰ সুযোগ লৈ লাভান্বিত হৈ আছে।

মুছলমানসকল এক উম্মত হোৱাৰ প্ৰচেষ্টা কৰা উচিত, ইয়াৰ বাবে সম্পূৰ্ণৰূপে প্ৰচেষ্টা কৰা উচিত। যেতিয়া এনেকুৱা হ'ব, তেতিয়াহে আমি পৃথিৱীৰ আক্ৰমণৰ পৰা সুৰক্ষিত থাকিব পাৰিম আৰু নিজৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিব পাৰিম আৰু বিৰোধী শক্তিক প্ৰতিৰোধ কৰিব পাৰিম। ইয়াৰ বাবে আমি এই চিন্তা কৰিব লাগিব যে এই যুগত ইয়াৰ বাবে আল্লাহ তা'লাই কি ব্যৱস্থা কৰিছে? আল্লাহ তা'লাই এই

উদ্দেশ্যে হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মই বহু দিন ধৰি লোকসকলক এইফালে মনোযোগ আকৰ্ষণ কৰি আহিছো, যিসকলে আগতে কৈছিল যে আপুনি পৃথিৱীৰ বিষয়ে অতি নিৰাশাবাদীভাৱে কথা কয় আৰু পৃথিৱীখন বিপদজনক যুদ্ধত জড়িত হ'ব বুলি নেচিবাচক ধাৰণা প্ৰকাশ কৰে, আজি সেই লোকসকলে ক'বলৈ আৰম্ভ কৰিছে যে আমি কেইবছৰমান আগতে যিটো অসম্ভৱ বুলি ভাৱিছিলো, সেয়া এতিয়া সম্ভৱ হৈ উঠিছে আৰু যুদ্ধ আৰম্ভ হৈ গৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, পশ্চিমীয়া শক্তিসমূহে প্ৰথমে ইছলামিক দেশসমূহক নিজৰ মাজতে যুঁজিবলৈ বাধ্য কৰিছিল, আৰু এতিয়া তেওঁলোকে সম্পদসমূহ দখল কৰিবলৈ অসৰহ চেষ্টা কৰি আছে। মুছলমান সকলে বুজিব লাগে যে এই দাজ্জালী শক্তিসমূহে আমাৰ মুছলমানসকলক কেতিয়াও ঐক্য আৰু সম্প্ৰীতিৰে জীয়াই থকাটো দেখিব নিবিচাৰে। তেওঁলোকৰ মূল লক্ষ্য হৈছে মুছলমান সকলৰ মাজত বিশৃংখলা সৃষ্টি কৰা।

আমেৰিকাই বহু ইছলামীক দেশত নিজৰ সেনা সকলৰ সামৰিক ঘাটি স্থাপন কৰিছে, কিন্তু এনে কৰাৰ উদ্দেশ্য কি ? সেই দেশসমূহৰ সুৰক্ষাৰ বাবে এনে কৰিছে নে ? শেষত আৰব দেশসমূহৰ কাৰ পৰা ভয় আছিল ? এই শক্তিসমূহে ভয়ৰ পৰিৱেশ সৃষ্টি কৰি মুছলমান দেশসমূহক কৈছিল যে তোমালোকে বিপদত পৰিছা, গতিকে তোমালোকৰ সুৰক্ষাৰ বাবে এই ব্যৱস্থা কৰা হৈছে। মুছলমান দেশসমূহে যেতিয়া বিপদত পৰিব, তেতিয়া এই সামৰিক সেনাৰ ঘাটিয়ে কেতিয়াও মুছলমানৰ কামত নাহিব।

ইৰাণে সদায় সেই দেশসমূহক ভাবুকি দি আহিছে। ইজৰাইলৰ বিৰুদ্ধে ইৰাণৰ নীতি অধিক কঠোৰ আছিল আৰু আন দেশ সমূহৰ সৈতে বিশ্বাসৰ পাৰ্থক্য আছিল। এই সকলো সুযোগ লৈ এই বিশ্ব শক্তিসমূহে এই দেশত নিজৰ উপস্থিতি নিশ্চিত কৰিছিল। এই সামৰিক ঘাটিবোৰৰ বাবেই আৰব দেশসমূহৰ ওপৰত আক্ৰমণৰ ভাবুকি আহিছিল আৰু আক্ৰমণো হৈছিল। এই আক্ৰমণত আৰব দেশসমূহৰ অৰ্থনীতিৰ ক্ষতি হৈছে। এই পৰিস্থিতিৰ পৰা বিশ্ব শক্তিসমূহৰেই লাভ হৈছে আৰু ভৱিষ্যতেও হৈ থাকিব। হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)য়ে ইৰাকৰ যুদ্ধৰ সময়ত কৈছিল যে এই বিশৃংখলা বৃদ্ধি পাব। সম্ভৱত ! মুছলমান দেশসমূহে ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰিলেহেঁতেন।

আকৌ কৈছে, এই অশান্তি, বিশ্ব শক্তিসমূহে বিয়পাইছে আৰু বাহ্যিকভাৱে আল্লাহৰ বিশেষ ইচ্ছা নোহোৱাকৈ এইবোৰ বন্ধ হোৱা দেখা নাযায়। ইয়াৰ বাবে মুছলমান দেশসমূহে চেষ্টা কৰিব লাগিব আৰু আমি দোৱা কৰিব লাগিব।

যিদৰে দিনক দিনে অত্যাচাৰ বৃদ্ধি পাই আছে এনে লাগে যেন বৃহৎ পৰিসৰত মহাযুদ্ধ হ'বলৈ গৈ আছে। দৰাচলতে পাশ্চত্যৰ একাংশ ধাৰাভাষ্যকাৰৰ মতে ইতিমধ্যে মহাযুদ্ধ আৰম্ভ হৈছে। মইও কওঁ যে আৰম্ভ হৈছে। এতিয়াও যদি মুছলমান জগতখন বিবেক-বুদ্ধিৰে কাম কৰে, তেতিয়াহে দাজ্জালী প্ৰলোভনৰ পৰা নিৰাপদ থাকিব পাৰিব।

মধ্যপ্ৰাচ্যত যি যুদ্ধ চলি আছে আমেৰিকাই ইৰাণৰ ওপৰত আক্ৰমণ কৰিছে বুলি কোৱা হয় যদিও ইৰাণে পূৰ্বে সকীয়াই দিছিল যে যদি আমাৰ ওপৰত আক্ৰমণ কৰা হয়, তেন্তে আৰব দেশত আমেৰিকাৰ সেনাৰ ঘাটিত আক্ৰমণ কৰিম আৰু সেয়াই হ'ল। এওঁলোকে ৰেজিম চেঞ্জৰ শ্লোগান দিছিল, কিন্তু লাভ কি হ'ল ? খামেনাই চাহাবে শ্বহীদৰ মৰ্যাদা লাভ কৰিছে, তেওঁৰ সন্মান অধিক বৃদ্ধি পাইছে, তেওঁৰ সকলো

পৰিয়ালবৰ্গক হত্যা কৰা হৈছে, ইয়াৰ ফলত যি ৰেজিম চেঞ্জ হ'ব বুলি কোৱা হৈছিল তাৰ বিপৰীতে তেওঁৰ জাতি আৰু অধিক ঐক্যবদ্ধ হৈ পৰিছে। মধ্যপ্ৰাচ্যৰ আৰব দেশত নিজৰ কোনো প্ৰতিৰক্ষাকাৰী নাই, তেওঁলোক সম্পূৰ্ণৰূপে পশ্চিমীয়া শক্তিৰ ওপৰত নিৰ্ভৰশীল। এই যুদ্ধ এতিয়া ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। তেলৰ কূপ বন্ধ হোৱা আৰু বৃদ্ধি পোৱা মুদ্ৰাস্ফীতিৰ বাবে আৰব শক্তিসমূহে লোকচানৰ সন্মুখীন হ'বলগীয়াৰ উপৰিও এই যুদ্ধত আমেৰিকাৰ সামৰিক সহায়তাৰ খৰচো তেওঁলোকে পৰিশোধ কৰিব লাগিব। এই সকলোবোৰে আৰব দেশৰ অৰ্থনীতিৰ যথেষ্ট ক্ষতি কৰিব।  আমেৰিকাৰ ৰাষ্ট্ৰপতি গৰাকীয়ে আমেৰিকাৰ পূৰ্বৰ চৰকাৰৰ নীতি মানি চলিছে। তেওঁলোকৰ এইটো আজিৰ নীতি নহয়, বৰঞ্চ দীৰ্ঘ দিন ধৰি চলি অহা নীতি,যি অঞ্চললৈ মন যায় তাতেই দখল কৰে, ইয়াৰ বাবে বিভিন্ন অজুহাত উত্থাপন কৰে। যিখন দেশ তেওঁলোকৰ লগত যোগ নিদিয়ে, তেওঁলোকক ভয় আৰু ভাবুকি দিয়ে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, স্পেইনৰ এগৰাকী মহিলা সংসদ সদস্যই ইউৰোপীয় সংসদত মুকলিকৈ কৈছে যে আমেৰিকাৰ কোনো যুদ্ধতেই মহিলাক মুক্ত কৰা হোৱা নাই। তেখেত এগৰাকী নাৰী হিচাপে মহিলাসকলৰ বিষয়টো উত্থাপন কৰিছে, কাৰণ আমেৰিকাই কয় যে আমি ইৰাণী মহিলাৰ স্বাধীনতাৰ বাবে যুঁজিছো বুলি আমেৰিকাই কৰা সকলো দাবী মিছা। ইৰাণী নাৰী কেতিয়াও ইয়াৰ পৰা মুক্ত নহ'ব আৰু আমেৰিকাই কেতিয়াও কোনো মহিলাৰ স্বাধীনতাৰ বাবে যুঁজ দিয়া নাই আৰু মহিলাসকলক স্বাধীনতা দিবলৈও সফল হোৱা নাই। য'ত ন্যায় নাই, তাত আছে ধ্বংস। এই শক্তিসমূহে শ শ শিশু আৰু নিৰীহ লোকক হত্যা কৰিছে।  এইটো কেনেধৰণৰ যুদ্ধ য'ত ল'ৰা-ছোৱালীৰ বিদ্যালয়ত বোমা বিস্ফোৰণ কৰা হৈছে আৰু কোনেও ইয়াৰ প্ৰশ্ন উত্থাপন নকৰে ?

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, ইছলাম তৌহিদ প্ৰতিষ্ঠা কৰিবলৈ আহিছে, ইয়াৰ বাবে মুছলমান দেশসমূহে চেষ্টা কৰা উচিত আৰু ঐক্যবদ্ধ হোৱা উচিত। এই শক্তিশালী দেশসমূহক খোদা বুলি গণ্য কৰিব নালাগে, নহ'লে এই দেশবোৰে ইছলামিক সকলো দেশ আৰু ইয়াৰ সম্পদবোৰ  নিজৰ দখললৈ লৈ যাব।

কোৰআন কৰিমে মুছলমানসকলক স্পষ্টকৈ নিৰ্দেশ দিছে যে যদি দুটা মোমিন সম্প্ৰদায়ৰ মাজত যুদ্ধ হয়, তেন্তে তেওঁলোকৰ মাজত শান্তি স্থাপন কৰা উচিত। শান্তি স্থাপন হোৱাৰ পিছতো যদি ইজনে সিজনক আক্ৰমণ কৰে, তেন্তে আক্ৰমণকাৰীৰ বিৰুদ্ধে সকলোৱে একেলগ হৈ যুদ্ধ কৰিব, যেতিয়ালৈকে তেওঁলোকে আল্লাহৰ আজ্ঞালৈ ঘূৰি নাহে। যেতিয়া তেওঁলোকে আল্লাহৰ আজ্ঞালৈ ঘূৰি আহে, তেতিয়া ন্যায়ৰ সৈতে যুঁজ দিয়াসকলৰ মাজত শান্তি স্থাপন কৰিব।

এইটো এটা আজ্ঞা, যিটো বিশ্ব শান্তিৰ বাবে প্ৰয়োজনীয়, মুছলমানসকলৰ বাবে ইয়াৰ গুৰুত্ব আৰু অধিক, কাৰণ সৰ্বশক্তিমান আল্লাই পৱিত্ৰ কোৰআনত এই পথ প্ৰদৰ্শন কৰিছে। শান্তি স্থাপন কৰি থাকোঁতে নিজৰ ব্যক্তিগত লাভালাভৰ প্ৰতি দৃষ্টি দিয়া উচিত নহয়, বৰঞ্চ প্ৰকৃত বিষয়টো বিচাৰ-বিবেচনা কৰি সিদ্ধান্ত লোৱা উচিত।

চীন আৰু আন কিছুমান দেশে শান্তি স্থাপনৰ প্ৰস্তাৱ আগবঢ়াইছে, ইৰাণকে ধৰি আৰব দেশসমূহে এই প্ৰস্তাৱৰ প্ৰতি গুৰুত্ব দিয়া উচিত। সম্ভৱত, মুছলমান দেশসমূহে যদি এই কথা বুজি পালেহেঁতেন। আল্লাহ তা'লা তেওঁলোকক বিবেক-বুদ্ধি দান কৰক। আমাৰ কাম হৈছে বিশেষকৈ মুছলমান জগত আৰু নিৰীহ লোকসকলৰ বাবে প্ৰাৰ্থনা কৰা। ৰমজান মাহত কেৱল নিজৰ বাবে দোৱা নকৰিব, বৰঞ্চ মুছলমান উম্মতৰ

বাবেও দোৱা কৰিব। আল্লাহ তা'লা তেওঁলোকক বিবেক-বুদ্ধি দান কৰক, যাতে পৃথিৱীত আৰু মুছলমান জগতত শান্তি প্ৰতিষ্ঠা হ'ব পাৰে আৰু মুছলমানসকলে মুছলমান সকলৰ ডিঙি কাটিব নোৱাৰে। নিজৰ মাজতে কাজিয়া কৰি ইজনে সিজনক ভুলকৈ হত্যা কৰা এইসকল লোক এই কাৰ্যৰ দ্বাৰা সৰ্বশক্তিমান আল্লাহৰ ক্ৰোধৰ ভাগীদাৰ হৈ আছে। এই লোকসকলে কেৱল পাৰ্থিৱ জগততেই ক্ষতিৰ সন্মুখীন নহ'ব, বৰঞ্চ পৰলোকতো ক্ষতিৰ সন্মুখীন হ'ব। সেয়েহে এই বিষয়ে বিশেষকৈ গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। আল্লাহ তা'লা আমাক প্ৰকৃত অৰ্থত দোৱা কৰাৰ সৌভাগ্য দান কৰক।

খোতবাৰ দ্বিতীয় অংশত হুজুৰ আনোৱাৰ (আইঃ)য়ে কিছুমান প্ৰয়াতসকলৰ সদগতিৰ কথা উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

(১) মাননীয়া চাহাবজাদী উম্মাতুল জমিল চাহিবা, তেখেত হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ আটাইতকৈ সৰু ছোৱালী আছিল, নাছিৰ মাহমুদ ছিয়াল চাহাবৰ পত্নী আছিল। হজৰত চৌধুৰী ফাতাহ মহম্মদ ছিয়াল চাহাব (ৰাঃ)ৰ বোৱাৰী আছিল। হজৰত ছৈয়দা মৰিয়ম বেগম চাহিবা উম্মে তাহিৰৰ ছোৱালী আছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ সন্তানসকলৰ মাজৰ তেখেত আটাইতকৈ সৰু আছিল। ১৯৫৫ চনত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে তেখেতৰ নিকা পঢ়াইছিল। তেখেতৰ চাৰিজন ল'ৰা-ছোৱালী আছে। প্ৰয়াত এগৰাকী দয়ালু, প্ৰাৰ্থনাশীল আৰু ধৰ্মপৰায়ণ মহিলা আছিল।

(২) মাননীয় ডাক্তৰ ৰশিদ আহমদ খান চাহাব (হলেণ্ড) মাননীয় নিজামুদ্দিন চাহাবৰ পুত্ৰ বিগত দিনত ৯১ বছৰ বয়সত ইহলীলা সম্বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। প্ৰয়াতজনৰ চাৰিজন পুত্ৰ আৰু চাৰিজনী কন্যা আছে। প্ৰয়াতজন পুণ্য স্বভাৱৰ, নিৰ্ভীক, খোদা প্ৰেমী, মিলা-প্ৰীতি সম্পন্ন, দয়ালু আৰু খিলাফতৰ প্ৰতি প্ৰেম তথা জীৱন বিসৰ্জন দিয়াৰ বাবে সদায় প্ৰস্তুত থকা বুজুৰ্গ আছিল। প্ৰয়াতজন তবলিগ কৰাৰ ক্ষেত্ৰতো বৰ উৎসাহী আছিল।

(৩) মাননীয়া জয়নব বিবি চাহিবা প্ৰয়াত বশ্বিৰ আহমদ চাহাব (প্ৰাক্তন সভাপতি জামাত চক কৰতাৰপুৰ)ৰ পত্নী আছিল। তেখেত বিগত দিনত ৮৫ বছৰ বয়সত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। প্ৰয়াতজনী অচিয়তকাৰী আছিল। তেখেত তাজাজ্জুদ নামাজ আদায়কাৰী, প্ৰাৰ্থনাশীল,কোৰআন কৰিম পাঠ কৰা আৰু সদ স্বভাৱৰ মহিলা আছিল। তেখেতৰ ছোৱালীজনী এজন মুবাল্লিগ চাহাবৰ পত্নী হয়, তেখেতে নিজৰ মাতৃৰ জানাজাত অংশ গ্ৰহণ কৰিব পৰা নাই। হুজুৰ আনোৱাৰ (আইঃ)য়ে সকলো প্ৰয়াতসকলৰ মৰ্যাদা উন্নীত হোৱাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهُ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم اللّٰہ اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB